বিষয়ৰ প্ৰক্ৰিয়া অথবা ব্যৱস্থাৰ বিষয়ে আমাৰ জ্ঞাত নহয়। কিন্তু অসম তথা ভাৰতত একাধিক প্ৰক্ৰিয়া/ব্যৱস্থা দেখা যায়।

আজি আমাৰ ব্যক্তি পৰিচয় তথা চৰকাৰী আঁচনি ৰূপায়ণত ব্যক্তিয়ে দাখিল কৰিবলগীয়া যাৱতীয় নথি হ'ল গাঁওবুঢ়াৰ প্ৰমাণ পত্ৰ, পঞ্চায়তৰ সভাপতি আদিৰ প্ৰমাণ পত্ৰ, ৰেছন কাৰ্ড, ভোটাৰ কাৰ্ড, আধাৰ কাৰ্ড আদি। তদুপৰি ব্যক্তি এজনৰ পৰিচয়ৰ বাবে ব্যক্তি এজনক চাকৰি/কৰ্মস্থলীৰ প্ৰমাণ পত্ৰ, ছাত্ৰ-ছাত্ৰীকো নিজা নিজা শিক্ষা-প্ৰতিষ্ঠানৰ পৰা দিয়া হয় একোখন পৰিচয় পত্ৰ।

এতিয়া কথা হ'ল, একোজন ব্যক্তি/ নাগৰিকৰ পৰিচয় চিনাক্তকৰণৰ বাবে ইমানবিলাক নথিৰ প্ৰয়োজন নে! ইয়াক সীমিত (minimise) কৰিব নোৱাৰিনে!

**গোপীৰাম ৰাজখোৱা,**
খেৰবাৰী সোণালী পাম, ডাক ঃ সোণাৰি-৭৮৫৬৯০,
চৰাইদেউ, ফোন ঃ ৭৮৯৬৩৮৫৬৭৭

## কাৰ্বি শব্দৰ অৰ্থ পাহাৰ নে মানুহ?

প্ৰান্তিকৰ ১৬-২৯ ফেব্ৰুৱাৰি, ২০২০ সংখ্যাত সৌৰভ প্ৰাণ বৰাৰ লেখাটো পঢ়ি দুআষাৰ লিখিবলৈ লৈছোঁ। উদাৰ অসমী আইৰ বুকুত লালিত-পালিত হোৱা বহুতো জাতি-জনজাতিৰ মাজত কাৰ্বিও এটা লেখত ল'বলগীয়া জাতি। ভূপেনদাৰ 'ডিফু হ'ল তোমাৰ নাম' গীতটিও কাৰ্বিসকলৰ উদ্দেশ্যে ডিফুত ১৯৮২ চনত গোৱা। গীতটিৰ কথা 'ডিফু হ'ল তোমাৰ নাম, হওক মংগল তোমাৰ, লুইতপৰীয়া ভাইভনীৰ লোৱা নমস্কাৰ, হে ডিফু হ'ল তোমাৰ নাম, শুৱলা কাৰ্বি ভাষাতহে কাৰ্বি মানে পাহাৰ, আৰ্লেং মানে মানুহ আৰু স্বজাতি আমাৰ হে ...'

এই কাৰ্বি বা আৰ্লেং (অৰ্থ ঃ মানুহ) কাৰ্বি জাতিটোৰ পৰিচিত নাম। আংলং (ইংলং শব্দৰ কাৰক পদ) মানেহে পাহাৰ, অৰ্থাৎ কাৰ্বি আংলং মানে কাৰ্বি পাহাৰ। এই গানটোৰ ১৫ শাৰীৰ পৰা ২৩ শাৰীত এইবুলি উল্লেখ কৰিছে যে—এ দেৱতাৰ পূজাৰ বেদীতহে শৰাই আগ বঢ়ায়—সেহি প্ৰথাক 'থেকাৰকিবি' বুলি জনা যায়—হে ডিফু হ'ল তোমাৰ নাম হওক মংগল তোমাৰ।

এ কালক্ৰমত এহি শব্দৰ 'থে' লুপ্ত হয় 'কি' শব্দ লুপ্ত হৈ কাৰ্বি মাথোঁ ৰয় হে ...

হে ডিফু হ'ল তোমাৰ নাম। প্ৰবাদ মতে এসময়ত ধৰালৈ বুলি দেৱতাসকলৰ পৰা লাংমিংপই (হেম্ফু) নামি আহিছিল। পৃথিৱীখনলৈ নামি আহি লাংমিংপই দেখিলে বহু গাঁও অপৱিত্ৰ বা অশুচিৰে ভৰি পৰিছে। তেতিয়া লংমুক্ৰাং আৰু হাংমুক্ৰাঙৰ লগত লৈ লাংমিংপই মানুহক ভক্তি-বন্দনা, পূজা-অৰ্চনা আদি শিকাবলৈ আৰম্ভ কৰিলে। নীতি-নিয়মসহ তেওঁ বিভিন্ন অঞ্চলত ধৰ্মীয় কথাও প্ৰচাৰ কৰিছিল আৰু অপৱিত্ৰ-অশুচিবোৰ নিকা কৰিছিল। এই পৱিত্ৰ কৰা পদ্ধতিকে 'থেকাৰ' বোলা হৈছিল। লাংমিংপৰ এই আদেশ-আদৰ্শ মানি চলা আৰু পৱিত্ৰ কৰা পদ্ধতিৰে নিকা হোৱা লোকসকলকে কাৰ্বি বোলা হৈছিল।

**শশী ইংতি,**
মাজগাঁও, তেজপুৰ, শোণিতপুৰ-৭৮৪০০১
e-mail : ingtis@gmail.com

## তিনিচুকীয়াৰ ন-পুখুৰী

২০১৫ চনৰ ১৮ জানুৱাৰিত আমাৰ সৰু ল'ৰাৰ কৰ্মস্থলী তিনিচুকীয়ালৈ গৈছিলোঁ, ল'ৰাই গাড়ীৰ পৰাই দেখুৱাই কৈছিল—"এয়া ন-পুখুৰী মৰুৎনন্দন কানন, ইয়াত নটা সৰু-বৰ পুখুৰী আছে।"

এদিন আবেলি পাঁচমান বজাত ল'ৰা আৰু নাতিটোক লৈ ন-পুখুৰী মৰুৎনন্দন উদ্যান চাবলৈ ওলালোঁ। ন-পুখুৰী উদ্যানলৈ সোমায়েই মনটো কিন্তু সেমেকি গ'ল। উদ্যানৰ ভিতৰখন অতি অপৰিষ্কাৰ, ডাঙৰ ডাঙৰ গছবোৰৰ বাহিৰে একো নাই। আলি আৰু গছৰ মাজে মাজে পকাৰে সজোৱা বেঞ্চবোৰ দেখিলোঁ।

প্ৰজাৰঞ্জক মটক ৰজা সৰ্বানন্দ সিংহৰ ৰাজত্ব কালত প্ৰজাৰ সুবিধাৰ্থে বিভিন্ন স্থানত ২৪টা পুখুৰী খন্দাইছিল। এই পুখুৰীসমূহৰ ভিতৰত ১৭৯২ খ্ৰিষ্টাব্দত খন্দোৱা ন-পুখুৰীটোৱেই বৃহত্তম। বৰ্তমান তিনিচুকীয়া জিলাৰ মাজমজিয়াত অৱস্থিত এই বৃহৎ পুখুৰীটোৰ জনামতে মাটিকালি ৩৫ বিঘা ২ কঠা ১৪ লোচা। পাৰ আৰু সৰু সৰু আঠটা পুখুৰী লৈ মুঠ মাটিকালি ৭২ বিঘা ২ কঠা ১৯ লোচা। ভাবিছোঁ এই পুখুৰীবোৰ খান্দোতে কিমান হাজাৰ বনুৱাৰ কেঁচা ঘাম মাটিত পৰিছিল। তেতিয়াৰ দিনত আজিৰ দৰে উন্নত যন্ত্ৰপাতি নাছিল।

তিনিচুকীয়া জিলাৰ প্ৰশাসনৰ আশাশুধীয়া প্ৰচেষ্টাত কিছু বছৰৰ পূৰ্বে এই পুখুৰীৰ কাষতে এখন বৃহৎ উদ্যান অতি বিতোপনকৈ সজাই মটক ৰজা সৰ্বানন্দ সিংহৰ পিতৃ মৰুৎনন্দন সিংহৰ স্মৃতিত উছৰ্গা কৰিছিল। নামকৰণ কৰা হৈছিল 'ন-পুখুৰী মৰুৎনন্দন কানন'।

বৃহৎ পুখুৰীৰ পাৰে পাৰে বহলকৈ পকাৰে বন্ধোৱা আলি বৰ্তমান মাজে মাজে ফাটিছে। ইপাৰ-সিপাৰে মনিব নোৱাৰা বৃহৎ পুখুৰীটোৰ পাৰৰ বিজুলী বাতিবোৰ জ্বলাই দিয়াত পুখুৰীৰ ভিতৰটোত পোহৰ পৰা যেন লগাত চাই ভাল লাগিছিল।

সম্প্ৰতি উদ্যানখনৰ ৰেহৰূপ কেনে জানিবলৈ মন যায়।

**ফুলমা শইকীয়া,**
ন-কাড়ী ৱাৰ্ড নম্বৰ-৩, উত্তৰ লখিমপুৰ-৭৮৭০০১,
ফোন ঃ ৮৪০২৯৩২০৪৪

## অসমীয়া সমাজত যৌথ পৰিয়ালৰ ভূমিকা

কোৱা হয় যে ঘৰখনৰ পৰাই সমাজৰ আৰম্ভণি হয়। সেইফালৰ পৰা পুৰণি অসমীয়া সমাজত যৌথ পৰিয়ালৰ যথেষ্ট ভূমিকা আছিল। একেটা পৰিয়ালতে ককা, আইতা, খুৰা, খুৰী, বৰদেউতা, বৰমা, পেহী, জেঠাইৰ লগতে মা, দেউতা, ভাই, ভনীৰে এখন উন্নত অসমীয়া সমাজৰ চানেকি আছিল। ককা আৰু আইতা আছিল সাধুকথা আৰু নীতিশিক্ষাৰ ভঁৰাল। কিন্তু বৰ্তমান সমাজত প্ৰচলিত সৰু পৰিয়াল সুখী পৰিয়ালে একক পৰিয়ালৰ ধাৰণা আনি দিলে। আমাৰ বহুতৰে ককা-আইতাই বৰ্তমান বৃদ্ধাশ্ৰমত আশ্ৰয় ল'ব লগীয়া হৈছে। পাৰিবাৰিক কন্দলৰ বাবে সমাজত ভাঙোন আৰম্ভ হৈছে।

**ধীৰাজ কাকতি,**
গাঁও ঃ অভয়পুৰ, ডাক ঃ কলেজ নগৰ,
উত্তৰ গুৱাহাটী, গুৱাহাটী-৭৮১০৩১,
ফোন ঃ ৯৪০১৭৭১৬২৯

## কিতাপৰ দোকানৰ সংখ্যা

প্ৰান্তিকৰ পত্ৰালাপ শিতানৰ ১৬-৩০ নৱেম্বৰ, ২০২০ সংখ্যাত বিপুল শৰ্মাই ১৬-৩০ ছেপ্টেম্বৰ, ২০২০ সংখ্যাৰ প্ৰান্তিকত প্ৰকাশিত চয়নিকা শৰ্মাৰ পত্ৰখন সম্পৰ্কত ব্যক্ত কৰা অনুভৱ আমাৰ সকলোৰে বাবে চিন্তনীয়।

মহানগৰ, নগৰ, চহৰ, গাঁও সকলো স্থানৰ প্ৰতিটো চুকে-কোণে ক্ৰমান্বয়ে হ্ৰাস হোৱা কিতাপৰ দোকানৰ সংখ্যাই আমাক এখন অজ্ঞানতাৰে ভৰপূৰ সমাজ ব্যৱস্থালৈ অগ্ৰসৰ হোৱা কাৰ্যত অৰিহণা যোগাব। কিয়নো গ্ৰন্থ অধ্যয়নে আমাৰ অজ্ঞানতা হ্ৰাস কৰে। কিন্তু সাম্প্ৰতিক সময়ত গ্ৰন্থ অধ্যয়নৰ প্ৰৱণতা আমাৰ সমাজত হ্ৰাস হৈছে। ফলত কিতাপৰ দোকান দিবলৈ কোনোৱে উৎসাহ প্ৰকাশ নকৰে বা বহু ব্যৱসায়ীয়ে কিতাপৰ দোকান বন্ধ কৰি নতুন ব্যৱসায় কৰিবলৈ মন কৰিছে।

আমি সকলোৱে নিয়মীয়া অধ্যয়নৰ পৰিৱেশ এটা গঢ়ি সুস্থ-সবল জাতি গঠনৰ প্ৰক্ৰিয়াত অংশীদাৰ হ'বলৈ মনোনিৱেশ কৰা প্ৰয়োজন।

**মনোজ কুমাৰ শৰ্মা,**
গাঁও ঃ বৰজলাহ, ডাক ঃ টংলা-৭৮৪৫২১,
ওদালগুৰি, ফোন ঃ ৯৮৫৯৭৬৪৫৯৯

## জুৱা খেল

সাম্প্ৰতিক সময়ত সমাজত গঢ় লৈ উঠা বিভিন্ন ধৰণৰ জুৱা খেলে সমাজলৈ অশনি সংকেত কঢ়িয়াই আনিছে। এনে খেলসমূহে সমাজ কলুষিত কৰাৰ লগতে এক শ্ৰেণীৰ মানুহক বিপথে পৰিচালিত কৰিছে। বহু লোক সা-সম্পত্তি হেৰুৱাই সৰ্বস্বান্ত হৈছে। সমাজৰ